অসম

শিলচৰত ১০ কঠা ভূমি বিবাদক লৈ কংগ্রেছৰ দুই নেতাৰ সংঘাত: আৰক্ষীৰ কাষ চাপিল অভিজিৎ পাল

শিলচৰত ১০ কঠা ভূমি কেন্দ্রিক বিবাদক লৈ কংগ্রেছ নেতা সজ্জল আচার্যৰ বিৰুদ্ধে এজাহাৰ আৰু মানহানিৰ গোচৰ ৰুজু কৰিলে অভিজিৎ পালে।

প্রকাশ: ২১ নৱেম্বৰ ২০২৬, আবেলি ৬:৩৬



শিলচৰ, ২১ নৱেম্বৰ: কাছাৰ জিলা কংগ্রেছৰ ভিতৰচ'ৰাত ১০ কঠা ভূমি বিবাদক কেন্দ্র কৰি সৃষ্টি হোৱা সংঘাতে এইবাৰ আইনী ৰূপ লৈছে। দলৰে নেতা সজ্জল আচার্যৰ বিৰুদ্ধে আৰক্ষী থানাত এজাহাৰ দাখিল কৰাৰ লগতে অপৰাধমূলক মানহানিৰ গোচৰো ৰুজু কৰিছে কংগ্রেছ নেতা অভিজিৎ পালে।

ঘটনাৰ বিৱৰণী অনুসৰি, যোৱা ২৬ অক্টোবৰত সজ্জল আচার্যই জয় কুমাৰ সাহা নামৰ এজন ব্যক্তিক ১০ কঠা ভূমি বিক্রী কৰা বুলি চর্চা আৰম্ভ হৈছিল। এই বিষয়টো প্রদেশ কংগ্রেছৰ নেতৃত্বৰ দৃষ্টিগোচৰ হোৱাৰ পাছতে সভাপতি গৌৰৱ গগৈয়ে সেই নিশাই সজ্জল আচার্যক তলব কৰে।

ইয়াৰ দুদিন পাছত, অর্থাৎ ২৮ অক্টোবৰত এক সংবাদমেল সম্বোধন কৰি সজ্জল আচার্যই নিজৰ স্থিতি স্পষ্ট কৰে। অভিজিৎ পালৰ সৈতে জড়িত ভূমি ক্রয়-বিক্রয়ৰ বিষয়ত তেওঁক দোষাৰোপ কৰি বদনাম কৰাৰ চেষ্টা চলোৱা হৈছে বুলি অভিযোগ উত্থাপন কৰিছিল আচার্যই।

ইয়াৰ মাজতে ভূমি লেনদেনৰ প্রকৃত তথ্য বিচাৰি চাৰিগৰাকী কংগ্রেছ কর্মীয়ে শিলচৰ ছেটেলমেণ্ট কার্যালয়ত

আপত্তি দাখিল কৰিছিল আৰু নথি-পত্ৰ বিচাৰি তথ্য জনাৰ অধিকাৰ আইন চমুকৈ আৰটিআইৰ অধীনত আবেদন জনাইছিল।

শুকুৰবাৰে এক সংবাদমেলত অভিজিৎ পালে দাবী কৰে যে ১৮ নৱেম্বৰত লাভ কৰা আৰটিআইৰ উত্তৰত সংশ্লিষ্ট ভূমি সম্পৰ্কীয় নথিত সজ্জল আচাৰ্যৰ স্বাক্ষৰ থকাৰ তথ্য পোৱা গৈছে। দলৰ ভিতৰত দীৰ্ঘদিনীয়া সম্পৰ্ক থকাৰ বাবে তেওঁ সেই স্বাক্ষৰ চিনাক্ত কৰিব পাৰিছে বুলিও উল্লেখ কৰে পালে।

অভিজিৎ পালৰ অভিযোগ অনুসৰি, ১০ কঠা ভূমি ধনৰ বিনিময়ত হস্তান্তৰ কৰাৰ বাবে সজ্জল আচাৰ্যই অনাপত্তি প্ৰমাণপত্ৰ চমুকৈ এনঅ’চিৰ আবেদন জনাইছিল। এই লেনদেনৰ প্ৰকৃত সত্য পোহৰলৈ আনিবলৈ তেওঁ শিলচৰ সদৰ আৰক্ষী থানাত আচাৰ্যৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে আৰু অপৰাধমূলক মানহানিৰ গোচৰো তৰে।

ইয়াৰ উপৰি ভূমি ক্ৰেতা বুলি অভিযোগ উত্থাপিত জয় কুমাৰ সাহা আৰু অধিবক্তা পৰেশ দাসকো তদন্তৰ আওতালৈ আনিবলৈ দাবী জনাইছে পালে। আৰটিআইৰ জৰিয়তে লাভ কৰা নথি আৰক্ষীক জমা দিয়া বুলি উল্লেখ কৰি তেওঁ তদন্তত সম্পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি কয়।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4985/silchar-congress-land-dispute-abhijit-paul-sajal-acharya